**ইউএইলৈ বৈদেশিক সচিবৰ চৰকাৰী ভ্ৰমণ**

বৈদেশিক সচিব শ্ৰী বিক্ৰম মিছৰীয়ে 2026 চনৰ 1 ৰ পৰা 2 নৱেম্বৰলৈ ইউএইলৈ এক চৰকাৰী ভ্ৰমণ কৰে। ভাৰত আৰু ইউএইৰ মাজৰ নিয়মিত আৰু উচ্চস্তৰীয় সম্পৰ্কৰ ফলস্বৰূপে এই ভ্ৰমণ অনুষ্ঠিত হয় আৰু ই ভাৰত আৰু ইউএইৰ সামগ্ৰিক কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ এটা সুযোগ প্ৰদান কৰে।

2. আবু ধাবিত বৈদেশিক সচিবে ইউএইৰ আন্তৰ্জাতিক সহযোগিতা বিভাগৰ ৰাজ্যিক মন্ত্ৰী তথা ভাৰতৰ বাবে বিশেষ প্ৰতিনিধি মহামহিম ৰীম আল হাছিমীৰ সৈতে আলোচনাত মিলিত হয়। দুয়োপক্ষই বিভিন্ন খণ্ডত কৌশলগত দ্বিপাক্ষিক অংশীদাৰিত্বৰ পৰ্যালোচনা কৰে আৰু সহযোগিতাৰ নতুন দিশসমূহ বিচাৰি উলিয়াবলৈ আলোচনা কৰে। তেওঁলোকে আঞ্চলিক আৰু বিশ্বজনীন ঘটনাৱলীৰ ওপৰতো মত বিনিময় কৰে।

3. বৈদেশিক সচিবে আবুধাবিৰ সংস্কৃতি আৰু পৰ্যটন বিভাগৰ অধ্যক্ষ মহামহিম মহম্মদ খলিফা আল মোবাৰককো সাক্ষাৎ কৰে। এই বৈঠকে হাউছ অব্ ইণ্ডিয়াক সামৰি সাংস্কৃতিক আৰু সৃজনশীল আদান-প্ৰদানৰ লগতে পৰ্যটনৰ ক্ষেত্ৰত ঘনিষ্ঠ প্ৰতিষ্ঠানগত যোগাযোগ আৰু সহযোগিতাৰ নতুন দিশসমূহ বিচাৰি উলিয়াবলৈ এক সুযোগ প্ৰদান কৰে, যিয়ে দুয়োখন দেশৰ নাগৰিকসকলক নিৰন্তৰ ওচৰ চপাই আনিছে।

4. বৈদেশিক সচিবে আবুধাবি বিত্ত বিভাগৰ অধ্যক্ষ তথা এলইএমএডি হোল্ডিং কোম্পানীৰ পৰিচালনা সঞ্চালক আৰু গ্ৰুপ চিইঅ' মহামহিম জাছেম মহম্মদ বু আতাবা আল জাবীৰ সৈতেও মত বিনিময় কৰে। আলোচনাটোত দুয়োখন দেশৰ অৰ্থনীতিৰ বাবে উপকাৰী হোৱাকৈ বিনিয়োগৰ প্ৰবাহ বৃদ্ধি কৰা আৰু দীৰ্ঘম্যাদী বাণিজ্যিক অংশীদাৰিত্ব গঢ়ি তোলাৰ লক্ষ্যৰে অৰ্থনৈতিক অংশগ্ৰহণ প্ৰসাৰিত কৰাৰ সম্ভাৱনাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

5. এই ভ্ৰমণে ভাৰত আৰু ইউএইৰ সম্পৰ্কৰ মূল আধাৰ হিচাপে থকা পৰস্পৰৰ বিশ্বাস আৰু কৌশলগত সন্মতিক পুনৰ স্পষ্ট কৰে আৰু অনাগত দিনবোৰত এই অংশীদাৰিত্বক অধিক গতিশীলতা প্ৰদান কৰাৰ বাবে দুয়োপক্ষৰ যৌথ সংকল্প প্ৰকাশ কৰে।

আবু ধাবি

02 নৱেম্বৰ, 2026